NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 16-**10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নাইজেৰিয়া, ব্ৰাজিল আৰু গায়ানাৰ পাঁচ দিনীয়া ভ্ৰমণসূচীৰে ৰাওনা হয়।

২। ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁটৰ জ্যেষ্ঠ নেতাসকল নিজ নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাই আছে।

৩। মণিপুৰলৈ শান্তি শৃংখলা ঘূৰাই অনাৰ বাবে যাৱতীয় পদক্ষেপ ল'বলৈ সুৰক্ষা বাহিনী সমূহক নিৰ্দেশ দিয়া হৈছে বুলি গৃহ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

৪। দেশৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়।

***আৰু***

৫। ছত্তিশগড়ত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত পাঁচজন মাওবাদী নিহত হৈছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নাইজেৰিয়া, ব্ৰাজিল আৰু গায়ানাৰ পাঁচ দিনীয়া ভ্ৰমণসূচীৰে ৰাওনা হয়। ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয়, যে এয়া তেওঁৰ পশ্চিম আফ্ৰিকাত ভাৰতৰ ঘনিষ্ঠ সহযোগী নাইজেৰিয়াৰ প্ৰথম ভ্ৰমণ হ'ব। তেওঁ কয়, যে এই ভ্ৰমণে গণতন্ত্ৰ আৰু বহুত্ববাদৰ পাৰস্পৰিক বিশ্বাস আধাৰত দেশখনৰ সৈতে কৌশলগত সহযোগিতা গঢ়ি তোলাৰ সুযোগ প্ৰদান কৰিব। তেওঁ লগতে নাইজেৰিয়াত বাস কৰা ভাৰতীয় মূলৰ লোক আৰু নাইজেৰিয়া জনসাধাৰণো সাক্ষাৎ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে। নাইজেৰিয়াৰ একাংশ জনসাধাৰণে প্ৰধানমন্ত্ৰীলৈ হিন্দী ভাষাত আদৰণি বাৰ্তা প্ৰেৰণ কৰিছে।

শ্ৰী মোদীয়ে  এই ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ব্ৰাজিলত হ'বলগীয়া ১৯ সংখ্যক জি-২০ শীৰ্ষ সন্মিলনত ত্ৰইকা সদসা হিচাপে অংশগ্ৰহণ কৰিব। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতৰ সফল অধ্যক্ষতাত জি-২০ ৰাষ্ট্ৰগোষ্ঠী জনসাধাৰণৰ জি-২০ গোট ৰূপে পৰিগণিত হৈছে আৰু গ্লোবেল ছাউথ ৰূপে পৰিচিত অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে কম উন্নত ৰাষ্ট্ৰসমূহৰ অগ্ৰাধিকাৰ সমূহো ইয়াৰ কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰা হৈছে। এই বছৰ ব্ৰাজিলে ভাৰতৰ ঐতিহ্য আগুৱাই লৈ গৈছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে এই বাৰৰ শীৰ্ষ সন্মিলনৰ এখন পৃথিৱী, এটা পৰিয়াল আৰু এটা ভৱিষ্যতৰ দৃষ্টিভংগী অনুযায়ী অৰ্থপূৰ্ণ আলোচন হ'ব বুলি আশা প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় কে, তেওঁ দ্বিপাক্ষিক সহযোগিতা অধিক সুদৃঢ় কৰাৰ বাবে বিভিন্ন দেশৰ নেতাসকলৰ সৈতে আলোচনাত মিলিত হোৱাৰ বাবে এই সুযোগৰ সদ্ব্যৱহাৰ কৰিব।

শ্ৰী মোদীয়ে কয়, যে ৰাষ্ট্ৰপতি মহম্মদ ইৰফান আলীৰ নিমন্ত্ৰণ মৰ্মে হাতত লোৱা এই ভ্ৰমণ, বিগত ৫০ বছৰত কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম গায়ানা ভ্ৰমণ হ'ব। বৈঠকত দুয়োগৰাকী নেতাই উমৈহতীয়া ঐতিহ্য, সংস্কৃতি আৰু প্ৰমূল্যৰ ওপৰত আধাৰিত অনন্য সম্পৰ্কক  কৌশলগত দিশ প্ৰদানৰ বিষয় লৈ আলোচনা কৰিব। শ্ৰী মোদীয়ে লগত

১৮৫ বছৰ পূৰ্বে  দেশখনলৈ প্ৰব্ৰজন কৰা ভাৰতীয় মূলৰ লোকসকলক সাক্ষাৎ কৰিব আৰু দেশখনৰ সংসদক সম্বোধন কৰিব। ভ্ৰমণকালত প্ৰদানমন্ত্ৰীয়ে দ্বিতীয় ভাৰত-কেৰিকম শীৰ্ষ সন্মিলনৰ বাবে কেৰিবীয় সহযোগী ৰাষ্ট্ৰসমূহৰ নেতাসকলক সাক্ষাৎ কৰিব। শ্ৰী মোদীয়ে কৈছে যে এই শীৰ্ষ সন্মিলনে সেই দেশসমূহক ঐতিহাসিক সম্পৰ্কক নতুন ৰূপ প্ৰদানৰ আৰু নতুন নুতন ক্ষেত্ৰলৈ সহযোগিতা সম্প্ৰসাৰণৰ সুযোগ প্ৰদান কৰিব।

oooooooo

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁটৰ জ্যেষ্ঠ নেতাসকল নিজ নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাই আছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি ডুমকা, দেওঘৰ আৰু গিৰিডিহত নিৰ্বাচনী সভাত ভাষণ দি হেমন্ত চোৰেন চৰকাৰে জনজাতীয় লোকসকলক অকল ভোট বেংক হিচাপে গণ্য কৰা বুলি অভিযোগ তোলে। তেওঁ লগতে ইউ পি এ চৰকাৰ দিনত ৰাজ্যখনত জনজাতীয় লোকসকলৰ কল্যাণৰ বাবে পুঁজি আৱণ্টন কৰা নাছিল বুলিও মন্তব্য কৰে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা বিধানসভা নিৰ্বাচনৰ সহপ্ৰভাৰী হিমন্ত বিশ্ব শৰ্মাই জামতাৰাত এখন নিৰ্বাচনী সভাত ভাগ লৈ হেমন্ত চোৰেনে ভুৱা প্ৰতিশ্ৰুতি দিয়া বুলি অভিযোগ তোলে। তেওঁ লগতে এইবাৰৰ নিৰ্বাচন হেমন্ত চোৰেন চৰকাৰৰ ক্ষমতাচ্যুত কৰাৰ সঠিক সময় বুলি কয়।

একেদৰে অভিনয় জগতৰ পৰা ৰাজনীতিত ভৰি দিয়া মিঠুন চক্ৰৱৰ্তীয়ে আজি ডুমকা আৰু জামতাৰাত প্ৰচাৰ চলায়। শিৱৰাজ সিং চৌহান আৰু চাম্পাই চোৰেনকে ধৰি বিজেপিৰ কেইবাগৰাকীও নেতায়ো এন ডি এ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰত ভাগ লয়। ইপিনে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই জামতাৰা আৰু খিজ্‌ৰিত নিৰ্বাচনী সভাত ভাষণ দি বিজেপিয়ে ঝাৰখণ্ডৰ সৈতে মাহীআইৰ দৰে ব্যৱহাৰ কৰা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে  খনিৰ পৰা লাভ কৰা শুল্কৰ পৰ্যাপ্ত অংশ ৰাজ্যখনক প্ৰদান নকৰা বুলি অভিযোগ উত্থাপন কৰে।

ঝাৰখণ্ড মুক্তি মৰ্চাৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনেও বিজেপিয়ে তেওঁৰ চৰকাৰক ভাবুকি প্ৰদান কৰা বুলি অভিযোগ তোলে। ডুমকাত এখন নিৰ্বাচনী সভাত ভাগ লৈ শ্ৰী চোৰেনে নিৰ্বাচনৰ সময়ত কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰ কৰা বুলি অভিযোগ উত্থাপন কৰে।

গীৰদিহৰ বগোদৰত এখন নিৰ্বাচনী সভাত ভাষণ দি আৰ জি জিৰ জ্যেষ্ঠ নেতা তেজস্বী যাদৱেও বিজেপিয়ে ঘৃণা বিয়পোৱা বুলি অভিযোগ কৰে। এ জে এছ ইউ আৰু বাওঁদলৰ নেতাসকলেও ৰাজ্যখনৰ বিভিন্ন স্থানত নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত ভাগ লয়। চি পি এমৰ পোলিট ব্যুৰোৰ সদস্য বৃন্দা কাৰাটে বিজেপি আৰু ঝাৰখণ্ড মুক্তিমৰ্চা উভয়ে তেওঁলোকৰ কাৰ্যকালত ৰাজ্যখনৰ দুখীয়া জনসাধাৰণৰ সৈতে প্ৰবঞ্চনা কৰা বুলি মন্তব্য কৰে। ঝাৰখণ্ডত ২০ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

oooooooo

মণিপুৰলৈ শান্তি শৃংখলা ঘূৰাই অনাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ সুৰক্ষা বাহিনী সমূহক নিৰ্দেশ দিয়া হৈছে বুলি গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয় এটা বিবৃতিৰ যোগে কৈছে যে দুয়োটা সম্প্ৰদায়ৰ সশস্ত্ৰ দুষ্কৃতিকৰীয়ে হিংসাত লিপ্ত হৈছে আৰু ইয়াৰ ফলত একাংশ লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে। হিংসা অথবা বিঘটনকামী কাম-কাজৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰালয়ে সকিয়াই

দিছে। এই সংক্ৰান্তীয় গুৰুত্বপূৰ্ণ গোচৰসমূহ ফলপ্ৰসূ তদন্তৰ খাতিৰত ৰাষ্ট্ৰীয় তদন্ত সংস্থালৈ হস্তান্তৰ কৰা হৈছে। জনসাধাৰণক শান্তি বৰ্তাই ৰাখিবলৈ, কোনো ধৰণৰ উৰা বাতৰিত ভোল নাযাবলৈ আৰু ৰাজ্যখনত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে সুৰক্ষা বাহিনীৰ সৈতে সহযোগিতা কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়। প্ৰতি বছৰে ১৬ নৱেম্বৰত এই দিৱস পালন কৰা হয়। এই দিনটোতে ভাৰতীয় প্ৰেছ কাউন্সিলৰ কামকাজ আৰম্ভ হৈছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে নতুন দিল্লীত আয়োজিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে মূল ভাষণ প্ৰদান কৰি গণতন্ত্ৰৰ সংৰক্ষণত সংবাদমাধ্যমৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰে। শ্ৰী বৈষ্ণৱে কয়, যে সংবাদ মাধ্যমে দেশৰ স্বাধীনতা সংগ্ৰাম আৰু জৰুৰীকালীন অৱস্থাৰ সময়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁ লগতে ধনৰ বিনিময়ত বাতৰি প্ৰকাশ সমাজৰ বাবে বৃহৎ ভাবুকি হৈ পৰাক লৈ উদ্বেগ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ দৰে বৈচিত্ৰ্যৰে ভৰা এখন দেশত ভুল তথ্যৰ পৰিমাণ ভয়াবহ হ'ব পাৰে। অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লৈ তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগনে কয়, যে সাংবাদিকতা গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ। তেওঁ কয়, যে ভুৱা বাতৰি সম্প্ৰতি চিন্তাৰ বিষয় হৈ পৰিছে। বাতৰি আৰু প্ৰবন্ধ সত্যাসত্য নিৰুপণৰ বাবে পি আই বি তথ্য পৰীক্ষা গোটক তেওঁ ভূয়সী প্ৰশংসা কৰে।

০০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাৰাষ্ট্ৰৰ মহা মিত্ৰজোঁট চৰকাৰৰ প্ৰচেষ্টাক প্ৰশংসা কৰি সমাজৰ প্ৰতিটো শ্ৰেণীক সৱলীকৰণৰ বাবে গুৰুত্ব আৰোপ কৰে। মেৰা বুথ সবছে মজবুত কাৰ্যসূচীৰ অধীনত শ্ৰী মোদীয়ে মহাৰাষ্ট্ৰৰ বিজেপি কৰ্মীসকলৰ লগত ভাৰ্চুৱেল ব্যৱস্থাৰে বাৰ্তালাপ কৰি কয়, যে মহাৰাষ্ট্ৰৰ জনসাধাৰণ মহায়ুটি চৰকাৰৰ আঢ়ৈ বছৰীয়া শাসনত অতিশয় সন্তুষ্ট। তেওঁ বিজেপি কৰ্মীসকলৰ অদম্য ত্যাগক প্ৰশংসা কৰি কয়, যে কৰ্মীসকলে বিগত কেইবামাহো ধৰি অক্লান্তভাৱে কাম কৰি যোৱাটো গণতন্ত্ৰৰ সৰ্ববৃহৎ তপস্যা বুলি অভিহিত কৰে। শ্ৰী মোদীয়ে আৰু কয়, যে নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে কৰ্মীসকলৰ বিগত মাহত কৰা সাধনাৰ, সিদ্ধিৰ সময় আহি পৰিছে।

০০০০০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন বিত্ত মন্ত্ৰী পি চিডাম্বৰমে মহাৰাষ্ট্ৰৰ অৰ্থনৈতিক পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰিছে। আজি মুম্বাইত এখন সংবাদমেলত ভাগ লৈ শ্ৰী চিডাম্বৰমে কৰ্মসংস্থাপনহীনতাক ৰাজ্যখনৰ আটাইতকৈ গুৰুতৰ বিষয় বুলি অভিহিত কৰে। এই সন্দৰ্ভত কংগ্ৰেছ নেতাগৰাকীয়ে ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন, বিত্তীয় আৰু ৰাজহ ঘাটি তথা মন্থৰ কৃষি বিকাশৰ তথ্য উপস্থাপন কৰে। তেওঁ উদ্যোগসমূহ চুবুৰীয়া ৰাষ্ট্ৰলৈ স্থানান্তৰ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সমালোচনা কৰে আৰু পিঁয়াজৰ ৰপ্তানিৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞাৰ বাবে খেতিয়কসকলক লোকচানৰ সন্মুখীন হোৱা বুলি মন্তব্য কৰে। তেওঁ লগতে উদ্যোগপতিসকলৰ বাবে ১৫ লাখ টকাৰ ঋণ মাফৰ সিদ্ধান্তক সমালোচনা কৰে। কংগ্ৰেছে আই এন ডি আই মিত্ৰজোঁটৰ মাধ্যমেৰে তেলেংগানা আৰু কৰ্ণাটকৰ লেখীয়া ৰাজ্যসমূহত প্ৰতিশ্ৰুতি পূৰণ কৰিব বুলি শ্ৰী চিডাম্বৰমে আশ্বাস দিয়ে। অনুষ্ঠানত কংগ্ৰেছে

মুম্বাইনামা শীৰ্ষক দলীয় ইস্তাহাৰ প্ৰকাশ কৰে। এই ইস্তাহাৰত ৮টা নিচামুক্তি কেন্দ্ৰ, হিংসাৰ বলি হোৱা মহিলাৰ বাবে সাহায্য কেন্দ্ৰ আৰু ধাৰাবী পুনৰ উন্নয়ন প্ৰকল্প প্ৰত্যাহাৰৰ লেখীয় প্ৰতিশ্ৰুতি অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০০

ছত্তিশগড়ত আজি নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত দুগৰাকী মহিলাকে ধৰি পাঁচগৰাকী মাওবাদী নিহত হয়। চোৰাংচোৱাৰ সূত্ৰৰ ভিত্তিত বি এছ এফ, এছ টি এফ আৰু জিলা ৰিজাৰ্ভ গাৰ্ডৰ সন্মিলীত এটা দলে নাৰায়ণপুৰ জিলাৰ অবুজমাদ অঞ্চলত মাওবাদী থকাৰ সম্ভেদ লাভ কৰি অভিযান চলায়। অভিযানত ৫ জন মাওবাদী সন্ত্ৰাসবাদী গুলীয়াই নিহত হয়। নিৰাপত্তাৰক্ষীয়ে অভিযানৰ অন্তত মাওবাদীৰ ৫টা মৃতদেহ সহ বৃহৎ পৰিমাণ অস্ত্ৰ-শস্ত্ৰ তথা গুলী-বাৰুদ জব্দ কৰে। সংঘৰ্ষত দুজন নিৰাপত্তাৰক্ষীৰ লোক আহত হয়।

০০০০০০০০

ভাৰতে আজি বিহাৰৰ ৰাজগিৰত অনুষ্ঠিত মহিলা এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ এখন খেলত চীনক ৩-০ গলত পৰাস্ত কৰে। খেলখনত ভাৰতৰ হৈ সংগীতা, ছলিমা আৰু দীপিকাই গল দিয়ে।

০০০০০০০০

সমাপ্ত